UG AS S1 01 (IDC 101)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি)

ব্যৱহাৰিক অসমীয়া

প্ৰথম ষাণ্মাসিক

আন্তঃবিভাগীয় পাঠ্যবিষয়

অসমীয়া

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **দীপ্তি ফুকন পাটগিৰি**, অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **বিমল মজুমদাৰ**, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **অনুৰাধা শর্মা**, অধ্যাপিকা, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	অসমীয়া ভাষাৰ ব্যাকৰণৰ কেইটামান বিশেষ দিশ — ১	ড° মিলন নেওগ, সহকাৰী অধ্যাপক, এ.ডি.পি. কলেজ
২	অসমীয়া ভাষাৰ ব্যাকৰণৰ কেইটামান বিশেষ দিশ — ২	ড° মৃণাল জ্যোতি গোস্বামী ড° সঞ্জীৱ বৰা, সহকাৰী অধ্যাপক, কৃ. কা. স. ৰা. মু. বি.
৩	অসমীয়া ভাষাৰ বিভক্তি আৰু প্রত্যয়	ড° মিলন নেওগ
৪	অসমীয়া ভাষাৰ বাক্যৰীতি	ড° মিলন নেওগ
৫	অসমীয়া ভাষাৰ পদ	ড° মিলন নেওগ
৬	অসমীয়া ভাষাৰ সন্ধি, সমাস, বচন আৰু লিংগ	ড° মিলন নেওগ
৭	জতুৱা ঠাঁচ আৰু খণ্ডবাক্য	ড° মাধৱ চন্দ্র বৰুৱা, সহকাৰী অধ্যাপক, শিৱসাগৰ মহাবিদ্যালয় ড° মৃণাল জ্যোতি গোস্বামী
৮	শব্দৰ ভুল প্রয়োগ; সমোচ্চাৰিত শব্দ; সমার্থক শব্দ; বিপৰীত শব্দ; বাক-সংহতি	ড° জোনমণি গগৈ, সহকাৰী অধ্যাপক, কৃষ্ণ বৰা বি. এড. কলেজ ড° মৃণাল জ্যোতি গোস্বামী
৯	সাম্প্রতিক দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা	ড° গীতিমণি ভূঞা, আইকন কর্মাচ কলেজ (কলা শাখা)
১০	প্রবন্ধ লিখন, সমীক্ষা লিখন আৰু পৰিভাষাৰ প্রাথমিক ধাৰণা	ড° মিলন নেওগ, সহযোগী অধ্যাপক, এডিপি কলেজ ড° মৃণাল জ্যোতি গোস্বামী
১১	চিঠি, আৱেদন পত্র, কার্যালয়ৰ টোকা প্রস্তুত আৰু সভাৰ কার্যক্রমণিকা লিখন	ড° সঞ্জীৱ বৰা

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° প্রাণ্‌জিৎ বৰা, সঞ্চালক তথা অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই, ২০২৩

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

ISBN: xxxxx xxxxxx xxxxxx

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰাষ্ট্রীয় ঘাইপথ-৩৭, ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.in

বিষয়সূচী

		পৃষ্ঠা নং
অধ্যায় ১ ঃ	**অসমীয়া ভাষাৰ ব্যাকৰণৰ কেইটামান বিশেষ দিশ — ১** আখৰ ঃ ধ্বনি আৰু বর্ণ; আখৰ, বর্ণ আৰু ধ্বনিৰ সম্পর্ক; অসমীয়া ধ্বনি ঃ উপধ্বনি আৰু তাৰ শ্রেণীবিভাজন; বিশিষ্ট ধ্বনি বা বর্ণ ঃ বিশিষ্ট স্বৰধ্বনি, বিশিষ্ট ব্যঞ্জনধ্বনি	৫-১৮
অধ্যায় ২ ঃ	**অসমীয়া ভাষাৰ ব্যাকৰণৰ কেইটামান বিশেষ দিশ — ২** চন্দ্রবিন্দুৰ ব্যৱহাৰ; ণত্ববিধি আৰু ষত্ববিধি, যতিচিহ্ন	১৯-২৯
অধ্যায় ৩ ঃ	**অসমীয়া ভাষাৰ বিভক্তি আৰু প্রত্যয়** বিভক্তি আৰু প্রত্যয়; অসমীয়া ভাষাৰ বিভক্তিৰ শ্রেণী বিভাগ ঃ শব্দ বিভক্তি বা কাৰক বিভক্তি; পুৰুষবাচক সম্বন্ধবাচক বিভক্তি; ক্রিয়া বিভক্তি; অসমীয়া ভাষাৰ প্রত্যয়ৰ শ্রেণী বিভাগ ঃ কৃৎ প্রত্যয় আৰু তদ্ধিৎ প্রত্যয়; নির্দিষ্টতাবাচক প্রত্যয়	৩০-৪৩
অধ্যায় ৪ ঃ	**অসমীয়া ভাষাৰ বাক্যৰীতি** বাক্যৰীতিৰ সংজ্ঞা ঃ বাক্যৰ শ্রেণী বিভাজন; উদ্দেশ্য আৰু বিধেয়; বাক্য; উক্তি; বাক্যত পদৰ ক্রম	৪৪-৫৪
অধ্যায় ৫ ঃ	**অসমীয়া ভাষাৰ পদ** পদ; পদৰ শ্রেণী বিভাজন ঃ সব্যয় আৰু অব্যয়; বিশেষ্য; বিশেষণ; সর্বনাম; ক্রিয়া	৫৫-৬৬
অধ্যায় ৬ ঃ	**অসমীয়া ভাষাৰ সন্ধি, সমাস, বচন আৰু লিংগ** সন্ধি; সমাস; বচন; লিংগ	৬৭-৭৯
অধ্যায় ৭ ঃ	**জতুৱা ঠাঁচ আৰু খণ্ডবাক্য** জতুৱা ঠাঁচ আৰু খণ্ডবাক্য	৮০-৮৮
অধ্যায় ৮ ঃ	**শব্দৰ ভুল প্রয়োগ, সমোচ্চাৰিত শব্দ, সমার্থক শব্দ, বিপৰীত শব্দ, বাক-সংহতি** শব্দৰ ভুল প্রয়োগ; সমোচ্চাৰিত শব্দ; সমার্থক শব্দ; বিপৰীত শব্দ; বাক-সংহতি	৮৯-১০৭
অধ্যায় ৯ ঃ	**সাম্প্রতিক দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা** দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা ঃ শব্দৰ ভুল প্রয়োগ; এফ. এম. তথা ভিন ভিন দৃশ্য-শ্রাব্য মাধ্যমৰ অসমীয়া ভাষা; নির্দিষ্টতাবাচক প্রত্যয়, কাৰক আদিৰ পৰিহাৰ	১০৮-১২২
অধ্যায় ১০ ঃ	**প্রবন্ধ লিখন, সমীক্ষা লিখন আৰু পৰিভাষাৰ প্রাথমিক ধাৰণা** প্রবন্ধ লিখন; সমীক্ষা লিখন; পৰিভাষাৰ প্রাথমিক ধাৰণা	১২৩-১৩৪
অধ্যায় ১১ ঃ	**চিঠি, আৱেদন পত্র, কার্যালয়ৰ টোকা প্রস্তুত আৰু সভাৰ কার্যক্রমণিকা লিখন** চিঠি; আৱেদন পত্র; কার্যালয়ৰ টোকা প্রস্তুত; সভাৰ কার্যক্রমণিকা লিখন	১৩৫-১৫৮
প্রসঙ্গ পুথি		১৫৯-১৬০

পাঠ্যবিষয়ৰ পৰিচয় ঃ ব্যৱহাৰিক অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বর্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম (চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি) আগবঢ়াবলৈ লৈছে। এই স্নাতক পাঠ্যক্রমত শিক্ষার্থীসকলে আন পাঠ্যবিষয়ৰ লগতে প্রথম তিনিটা ষাণ্মাসিকত আন্তঃবিভাগীয় পাঠ্যবিষয় (Interdisciplinary Courses) হিচাপেও তিনিখন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। সেই অনুসৰি অসমীয়া বিভাগৰ পৰা প্রথম ষাণ্মাসিকত এখন পাঠ্যবিষয় অধ্যয়নৰ বাবে আগবঢ়োৱা হৈছে। পাঠ্যবিষয়টিৰ নাম 'ব্যৱহাৰিক অসমীয়া'। এই পাঠ্যবিষয়ৰ জৰিয়তে অসমীয়া ভাষাৰ ব্যৱহাৰিক প্রয়োগৰ দিশ কিছুমানৰ লগত শিক্ষার্থীসকলক পৰিচয় কৰাই দিবলৈ বিচৰা হৈছে। পাঠ্যবিষয়ৰ আৰম্ভণিতে অসমীয়া ব্যাকৰণৰ কেইটিমান দিশৰ লগতো শিক্ষার্থীসকলক পৰিচয় কৰাই দিবলৈ বিচৰা হৈছে। ইয়াৰ মূল কাৰণ হ'ল তেখেতসকলে যাতে সঠিকভাৱে অসমীয়া ভাষাৰ কালিকা অনুধাৱন কৰিবলৈ সক্ষম হয়।

পাঠ্যবিষয়টিত অর্ন্তভুক্ত হোৱা বিষয়সমূহ সঠিকভাৱে অনুধাৱন কৰিব পৰাকৈ মুঠ ১১ টা অধ্যায়ত বিভাজন কৰা হৈছে। প্রথম অধ্যায়টোৰ শিৰোনাম 'অসমীয়া ভাষাৰ ব্যাকৰণৰ কেইটামান বিশেষ দিশ— ১'। ইয়াত আখৰ, ধ্বনি আৰু বর্ণৰ বিষয়ে আলোচনা কৰা হৈছে। 'অসমীয়া ভাষাৰ ব্যাকৰণৰ কেইটামান বিশেষ দিশ— ২' শীর্ষক দ্বিতীয় অধ্যায়টোত চন্দ্রবিন্দুৰ ব্যৱহাৰ; ণত্ববিধি আৰু ষত্ববিধি, যতিচিহ্ন আদি দিশ চমুকৈ আলোচনা কৰা হৈছে। তৃতীয় অধ্যায়টিত অসমীয়া ভাষাৰ বিভক্তি আৰু প্রত্যয়ৰ সৈতে আপোনাক পৰিচয় কৰাই দিব বিচৰা হৈছে। চতুর্থ অধ্যায়ত অসমীয়া ভাষাৰ বাক্যৰীতি, পঞ্চম অধ্যায়ত অসমীয়া ভাষাৰ পদ আৰু ষষ্ঠ অধ্যায়ত সন্ধি, সমাস, বচন আৰু লিংগ আদি ব্যাকৰণগত দিশ আলোচনা কৰা হৈছে।

প্রত্যেক ভাষাৰে নিজস্ব কালিকা থাকে। অসমীয়া ভাষাৰ কালিকা সম্পর্কে অনুধাৱন কৰিবলৈ সপ্তম আৰু অষ্টম অধ্যায়ত জতুৱা ঠাঁচ আৰু খণ্ডবাক্য, শব্দৰ ভুল প্রয়োগ; সমোচ্চাৰিত শব্দ; সমার্থক শব্দ; বিপৰীত শব্দ; বাক-সংহতিৰ বিষয়ে আলোচনা কৰা হৈছে। 'সাম্প্রতিক দৈনন্দিন জীৱনত ব্যৱহৃত অসমীয়া ভাষা' সম্পর্কে আলোচনা অন্তর্ভুক্ত হৈছে নৱম অধ্যায়ত।

কেইটিমান বিশেষ ধৰণৰ লিখনিৰ বিষয়ে সম্যক ধাৰণা প্রদান কৰাৰ লগতে ব্যৱহাৰিক দিশটোৰ লগত পৰিচয় কৰাই দিবলৈকে দশম আৰু একাদশ অধ্যায়ত 'প্রবন্ধ লিখন, সমীক্ষা লিখন আৰু পৰিভাষাৰ প্রাথমিক ধাৰণা', 'চিঠি, আৱেদন পত্র, কার্যালয়ৰ টোকা প্রস্তুত আৰু সভাৰ কার্যক্রমণিকা লিখন' বিষয় কেইটা অন্তর্ভুক্ত কৰা হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। পাঠ্যবিষয়টিৰ শেষত গোটেই পাঠ্যবিষয়টি প্রস্তুত কৰোঁতে সমল আহৰণ কৰা পুথিসমূহৰ নাম 'প্রসংগপুথি' হিচাপে ক্রমানুসাৰে উল্লেখ কৰা গৈছে।